অধ্যায় ৭ ঃ অধিকাৰ আৰু কৰ্তব্য

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ অধিকাৰ আৰু কৰ্তব্যৰ অৰ্থ
৭.৩.১ অধিকাৰ আৰু কৰ্তব্যৰ প্ৰকাৰসমূহ
৭.৪ অধিকাৰ আৰু কৰ্তব্যৰ বিষয়ে গান্ধীবাদী মতামত
৭.৫ ধৰ্ম-সংকট বা কিংকৰ্তব্য মীমাংসা ঃ কৰ্তব্যৰ সংঘাত
৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৭ অধিক জানিবলৈ
৭.৮ অগ্ৰগতিৰ খতিয়ান
৭.৯ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অধিকাৰ আৰু কৰ্তব্যৰ অৰ্থৰ সংজ্ঞা আগবঢ়াবলৈ সমৰ্থ হ'ব
- অধিকাৰ আৰু কৰ্তব্যৰ প্ৰকাৰসমূহ চিনাক্ত কৰিবলৈ সমৰ্থ হ'ব
- অধিকাৰ আৰু কৰ্তব্যৰ বিষয়ে থকাৰ গান্ধীবাদী মতামতক ব্যাখ্যা কৰিবলৈ সমৰ্থ হ'ব।
- কৰ্তব্যৰ সংঘাতৰ ক্ষেত্ৰত ধৰ্ম সংকট মীমাংসাৰ ধাৰণাটো আলোচনা কৰিবলৈ সক্ষম হ'ব।

৭.২ পৰিচয়

এই অধ্যায়টো অধিকাৰ আৰু কৰ্তব্যৰ ধাৰণাৰ সৈতে সম্পৰ্কযুক্ত। ই সম্পৰ্কযুক্ত কেতবোৰ বিষয় যেনে অধিকাৰ আৰু কৰ্তব্যসমূহৰ অৰ্থ আৰু সংজ্ঞা, অধিকাৰ আৰু কৰ্তব্যৰ প্ৰকাৰসমূহ, অধিকাৰ আৰু বিষয়ে ওপৰত গান্ধীবাদী মতামত থকা আৰু কৰ্তব্যৰ সংঘাতৰ ক্ষেত্ৰত ধৰ্মসংকট মীমাংসা আদিক আলোচনা কৰিছে।

এই অধ্যায়টোৱে দাৰ্শনিক দৃষ্টিকোণৰ পৰা সকলো সম্পৰ্কযুক্ত বিষয় আলোচনা কৰিবলৈ প্ৰয়াস কৰিছে আৰু এক সামগ্ৰিক অৰ্থত বিষয়সমূহ বোধগম্য কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

৭.২ অধিকাৰ আৰু কৰ্তব্যৰ অৰ্থ

'অধিকাৰ' (right) শব্দটোৰ দ্বাৰা নৈতিক বাধ্যবাধকতা (moral obligations) ক বুজা হয়, যি আমাৰ সমাজৰ দ্বাৰা অনুমোদিত হয়। সকলোৰে কল্যাণৰ হকে সমাজৰ দ্বাৰা ব্যক্তিৰ প্ৰতি অনুমোদিত এক দাবী হিচাপেও ইয়াক ঘোষণা কৰিব পৰা যায়। সেই কাৰণে, এজন ব্যক্তিয়ে কেৱল সমাজতহে কিছুমান অধিকাৰ অনুশীলন কৰিব পাৰে।

আনহাতে, 'কৰ্তব্য' (duty) শব্দটোৰ দ্বাৰা আমি কাৰোবাৰ বাবে যি গুৰুত্বপূৰ্ণ তাক বুজো। ই সূচায় যে এজন ব্যক্তি কোনো কাম কৰিবলৈ বাধ্য নাইবা কাম কৰিবলৈ এক বাধ্যবাধকতাৰ অধীন। আকৌ এক অৰ্থত, কৰ্তব্য হৈছে পাৰিপাৰ্শ্বিকতাৰ প্ৰতি এজন ব্যক্তিৰ এক নৈতিক ঋণগ্ৰস্ততা নাইবা এক নৈতিক দাবী নাইবা এক নৈতিক বাধকতা।

মানুহ সামাজিক জীৱ। এক সামাজিক জীৱ হিচাপে, আত্মোপলব্ধিৰ বাবে একেটা সময়তে অধিকাৰ উপভোগ কৰি আৰু কৰ্তব্য পালন কৰি মানুহে এখন শান্তিপূৰ্ণ সমাজত জীয়াই থাকিব বিচাৰে। সমাজে ইয়াৰ সদস্যসকলৰ প্ৰতি নৈতিক অধিকাৰসমূহ প্ৰদান নাইবা অনুমোদন কৰে আৰু আত্মোপলব্ধি নাইবা নিজৰ ভালৰ বাবে ব্যক্তিৰ ওপৰত কৰ্তব্য নাইবা নৈতিক বাধ্য-বাধকতা বলৱৎ কৰে। ফলস্বৰূপে, মানুহে এইবোৰ অধিকাৰ উপভোগ কৰে, যিবোৰৰ নিৰাপত্তা প্ৰদান কৰে সমাজে। নিশ্চয়কৈ, এই অধিকাৰসমূহ একেটা সময়ত আনৰ দ্বাৰা সন্মানিত হোৱাটো উচিত। সমাজে ইয়াৰ সেইসকল লোকক শাস্তি প্ৰদান কৰে, যিয়ে আনৰ অধিকাৰ ভঙ্গ কৰিবলৈ চেষ্টা কৰে। সেইবাবে, অধিকাৰ আৰু কৰ্তব্যৰ সমাজৰ প্ৰতি এক প্ৰসঙ্গ আছে। সমাজে ইয়াৰ সদস্যসকলৰ প্ৰতি কেতবোৰ নৈতিক অধিকাৰ প্ৰদান কৰে আৰু সমাজত আমাৰ নিজৰ ভালৰ বাবে এই অধিকাৰসমূহক ব্যৱহাৰ কৰাটো আমাৰ কৰ্তব্য। এই সন্দৰ্ভত, গ্ৰীন, এজন ভাৱবাদী দাৰ্শনিকে পোষণ কৰে যে, সমাজৰ এজন সদস্যৰ বাহিৰে কোনেও একো অধিকাৰ দাবী কৰিব নোৱাৰে, য'ত সমাজৰ সদস্যসমূহৰ দ্বাৰা তেওঁলোকৰ নিজা পৰম শ্ৰেয় হিচাপে কেতবোৰ সাধাৰণ শ্ৰেয়ক স্বীকৃতি দিয়া হয়।

অধিকাৰ আৰু কৰ্তব্য উভয়ে এটাৰ সৈতে আনটো অন্তৰ্সম্পৰ্কযুক্ত । এইবোৰ ধাৰণাই নৈতিক বাধ্য-বাধকতা আনে। নৈতিক ধাৰণা 'অধিকাৰ'য়ে 'কৰ্তব্য'ক সূচায় আৰু 'কৰ্তব্য' ই 'অধিকাৰ'ক সূচায়। উদাহৰণস্বৰূপেঃ ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ অধিকাৰ আছে, গতিকে , শিক্ষাৰ যোগান ধৰাটো শিক্ষকসকলৰ কৰ্তব্য। আকৌ, ছাত্ৰ-ছাত্ৰীসকলৰ বাবে তেওঁলোকৰ শিক্ষকক মানি চলা নাইবা তেওঁক অনুসৰণ কৰাটো কৰ্তব্য, সেয়ে, ছাত্ৰ-ছাত্ৰীৰ বাধ্যতাৰ প্ৰতি শিক্ষকসকলৰো এক অধিকাৰ থাকে। ই স্পষ্টকৈ দেখুওৱায় যে, এটাক আনটোৰ অবিহনে আলোচনা কৰিব নোৱাৰি। ইহঁতক সমাজৰ ক্ষেত্ৰসমূহত সক্ৰিয় কৰা হয় আৰু সমাজৰ পৰাই ইয়াৰ অৰ্থ আৰু তাৎপৰ্য্য নিঃসৰণ কৰা হয়। ই ব্যক্তিক অধিকাৰ প্ৰদান কৰে আৰু সাৰ্বজনীন শ্ৰেয় (common good) ক উপলব্ধি কৰাৰ উদ্দেশ্যে ব্যক্তিৰ ওপৰত কৰ্তব্যসমূহ বলবৎ কৰে। সেই কাৰণে, সমাজে ব্যক্তিৰ প্ৰতি অধিকাৰ আৰু কৰ্তব্যসমূহ সৃষ্টি কৰে, বৰ্তাই ৰাখে আৰু বলবৎ কৰে। ইয়েই হৈছে নৈতিক

অধিকাৰ আৰু কৰ্তব্যৰ অৰ্থ।

অধিকাৰ আৰু কৰ্তব্যক আন এক প্ৰসংগৰ পৰাও আলোচনা কৰিব পাৰি। যদি এক বিশেষ প্ৰসংগত এটা কৰ্ম শুদ্ধ হয়, সেই বিশেষ কৰ্মটো আমি কৰা উচিত নাইবা ইয়াক কৰাটো আমাৰ কৰ্তব্য। আনহাতে, যদি এটা কৰ্ম অশুদ্ধ, এই বিশেষ কৰ্মটো আমি কৰাটো উচিত নহয় নাইবা ইয়াক কৰাটো আমাৰ কৰ্তব্য নহয়। 'অশুদ্ধ' (Wrong) হৈছে 'শুদ্ধ' (Right) ৰ বিপৰীত। 'শুদ্ধ' আৰু 'অশুদ্ধ'ক এই প্ৰসঙ্গত কৰ্মৰ বিধেয় বা গুণাৱলী (Predicates) হিচাপে ধৰা হয়।

৭.৩.১ অধিকাৰ আৰু কৰ্তব্যৰ প্ৰকাৰসমূহ

প্ৰত্যেক ব্যক্তিৰে কিছুমান অধিকাৰ আৰু কৰ্তব্য আছে। পিছে এজন ব্যক্তিৰ কেতবোৰ মৌলিক অধিকাৰ আৰু কৰ্তব্যও আছে।

১) প্ৰত্যেক মানুহৰে জীয়াই থকাৰ অধিকাৰ আছে ঃ যদিহে আত্মোপলব্ধিক পৰম শ্ৰেয় হিচাপে গ্ৰহণ কৰা হয়,তেন্তে আত্মোপলব্ধিৰ বাবে জীৱনৰ ধাৰাবাহিকতা প্ৰয়োজনীয়। জীয়াই থকাৰ অধিকাৰ জীৱনৰ অধিকাৰৰ মাজত নিহিত থাকে। যদি এজন মানুহক খাদ্য উপাৰ্জনৰ পৰা বঞ্চিত কৰা হয় তেওঁৰ মৃত্যু হ'ব। জীয়াই থকাৰ অধিকাৰক উপভোগ কৰাৰ দ্বাৰা আমি আমাৰ জীৱন আৰু আনৰ জীৱনকো ৰক্ষা কৰা উচিত।

২) প্ৰত্যেক মানুহৰ শিক্ষাৰ অধিকাৰ আছে ঃ ই নিৰ্দেশ কৰে যে কোনো মানুহ শিক্ষাৰ অধিকাৰৰ পৰা বঞ্চিত হ'ব নোৱাৰে, কাৰণ তেওঁ /তাই ৰ শিক্ষাৰ অধিকাৰ আছে। তেওঁ নিজা সামৰ্থ অনুযায়ী যিকোনো নিৰ্দিষ্ট পৰিসৰলৈ শিক্ষা গ্ৰহণ কৰিব পাৰে। শিক্ষাই এজন মানুহৰ লুকাই থকা প্ৰতিভাক প্ৰকাশ কৰিব পাৰে। সেইকাৰণে, আত্ম-বিকাশ, আত্ম-প্ৰকাশ আৰু আত্ম-উপলব্ধিৰ বাবে ই অতি আৱশ্যকীয়।

৩) স্বাধীনতাৰ অধিকাৰ ঃ প্ৰত্যেক মানুহৰ স্বাধীনতাৰ অধিকাৰ আছে। তেওঁ নিজৰ জীৱনত পৰম শ্ৰেয় লাভৰ উদ্দেশ্য স্বাধীনতা উপভোগ কৰিব পাৰে। সি যি নহওঁক, স্বাধীনতাৰ ধাৰণাটোৰ দ্বাৰা আমি যিকোনো পৰিসৰলৈ স্বাধীনতাক উপভোগ কৰাটো বুজোৱা নাই, স্বাধীনতাৰ ধাৰণাটোৰ দ্বাৰা নিশ্চিতভাৱে আমি আকৃতি আৰু পৰিমাণত সীমিত স্বাধীনতাক বুজাও। আমি স্বাধীনতাক উপভোগ কৰিব পাৰো। এই অৰ্থত যে সেই কামটো কৰাৰ বাবে আমি দায়বদ্ধ।

৪) সম্পত্তিৰ অধিকাৰ ঃ এই প্ৰকাৰ অধিকাৰ অনিবাৰ্য্যভাৱে স্বাধীনতাৰ অধিকাৰৰ পৰা আহে। আত্মোপলব্ধিক পৰম শ্ৰেয় হিচাপে গণ্য কৰা হয়। যদি এজন মানুহক জীয়াই থাকিবলৈ, কাম কৰিবলৈ আৰু তেওঁৰ ইচ্ছাক মুক্তভাৱে প্ৰয়োগ কৰিবলৈ অনুমতি দিয়া হয়, কেৱল তেতিয়াহে তেওঁ এই আদৰ্শটো উপলব্ধি কৰিবলৈ সক্ষম হ'ব। এক নিৰ্দিষ্ট পৰিপ্ৰেক্ষিতত ব্যক্তিত্ব আৰু সম্পত্তিয়ে একেলগে গতি

কৰে। এজন লোকে তেওঁৰ ব্যক্তিত্বক উপলব্ধি কৰিব পাৰে তেওঁৰ নিজৰ সম্পত্তিৰ ব্যৱহাৰৰ মাজেদি।

আমাৰ সমাজত পৰম শ্রেয়ৰ উপলব্ধিৰ বাবে সত্তাৰ আৰু ন্যায়ৰ ভিত্তিত সম্পত্তিৰ অধিকাৰক ইয়াৰ সদস্যসমূহৰ প্রতি অনুমোদন কৰা হয়। উদাহৰণস্বৰূপে, প্লেটোৱে এখন আদর্শ ৰাষ্ট্রত সম্পত্তিৰ অধিকাৰক প্রত্যাহাৰ কৰিছিল। তেওঁৰ মতে, কোনো ধৰণৰ ব্যক্তিগত সম্পত্তি থাকিব নোৱাৰে, সকলো সম্পত্তিক নিশ্চয়কৈ ৰাষ্ট্রৰ সম্পত্তি হিচাপে গণ্য কৰা হ'ব। আনহাতে, এৰিষ্ট'টলে মতামত দিছিল যে এখন আদর্শ ৰাষ্ট্রত মানুহে তেওঁলোকৰ নিজৰ সম্পত্তিক সামাজিক কল্যাণৰ হকে ব্যৱহাৰ কৰা উচিত। আকৌ, সমাজৰ পুঁজিবাদী গাঁথনিয়ে সম্পত্তিৰ ব্যক্তিগত ব্যৱহাৰৰ বিৰুদ্ধে মত আগবঢ়াইছে। যদিও, এই মতামতসমূহ সম্পত্তিৰ অধিকাৰৰ বিৰোধী, তথাপিও এই জগতত যিমান দিনলৈকে মানৱ জাতি জীয়াই থাকিবলৈ সক্ষম হ'ব, তেতিয়ালৈকে সম্পত্তিৰ অধিকাৰক মৌলিক অধিকাৰ ৰূপে গণ্য কৰিব পৰা যাব।

৫) অঙ্গীকাৰ বা চুক্তি পূৰণৰ অধিকাৰক এক গুৰুত্বপূর্ণ অধিকাৰ হিচাপে গণ্য কৰা হয়। ইয়াক সম্পত্তিৰ অধিকাৰৰ পৰাও নিঃসৃত কৰিব পৰা যায়। এজন ব্যক্তিৰ তেওঁৰ নিজৰ সম্পত্তিৰ ওপৰত এক অথিকাৰ হস্তান্তৰিত থাকে। সেয়ে, তেওঁ ইচ্ছানুযায়ী তেওঁৰ সম্পত্তিৰ মালিকীস্বত্বক আন কাৰোবালৈ বিনিময় নাইবা স্থানান্তৰিত কৰিব পাৰে। এতেকে, চুক্তিৰ স্বাধীনতা অনিবার্য্যভাৱে সম্পত্তিৰ অধিকাৰৰ পৰা আহে। আদিম সমাজত এই অধিকাৰক স্বীকৃতি দিয়া নহৈছিল। কিন্তু, ই বিকশিত সমাজত সম্ভৱ, য'ত তৃতীয় পক্ষ নাইবা এজন মধ্যস্থতাকাৰী নাইবা এজন কর্তৃপক্ষৰ এক ব্যৱস্থা থাকিব, যিয়ে চুক্তিৰ ন্যায়পৰায়ণতাক নির্দ্ধাৰণ কৰিব।

অধিকাৰৰ ধাৰণাটোৱে অনিবার্য্যভাৱে কর্তব্য আৰু বাধ্যবাধকতাৰ ধাৰণাক লৈ আনে। কর্তব্যৰ অবিহনে অধিকাৰ অর্থহীন। সকলো প্রকাৰৰ কর্তব্য মৌলিক কর্তব্যৰ পৰাই নির্গমন হ'ব পাৰে যে প্রত্যেক মানুহে তেওঁৰ বৌদ্ধিক আত্মাক উপলব্ধি কৰা উচিত।

প্রথম কর্তব্য হৈছে আমাৰ নিজৰ আত্মাক আৰু তাৰ পাছত আনকো সন্মান কৰা। আমি আনক হত্যা নাইবা অনিষ্ট কৰাটো উচিত নহয় আৰু আত্মহননৰ চিন্তা কৰাটোও উচিত নহয়।

দ্বিতীয়তে, আমি আমাৰ নিজৰ স্বাধীনতাক সন্মান আৰু ৰক্ষা কৰিব লাগে। ঠিক সেই দৰে, আনৰ স্বাধীনতাকো আমি সন্মান আৰু ৰক্ষা কৰাটো উচিত। আমি আনৰ স্বাধীনতাক খর্ব কৰা উচিত নহয়। এই প্রসঙ্গত ইমানুৱেল কান্টে উল্লেখ কৰিছে যে - "Treat humanity whether in thyself or in others always as an

end and never as a means." ই সুন্দৰকৈ দেখুওৱাইছে নিজৰ ব্যক্তিগত লক্ষ্য প্ৰাপ্তিৰ উদ্দেশ্যে আমি কেতিয়াও আনক এক উপায় হিচাপে ব্যৱহাৰ কৰাটো উচিত নহয়। আনৰ প্ৰতি আমাৰ কৰ্তব্য নিৰ্দেশাত্মক, সাপেক্ষ নহয়। সেই বাবে, মানুহৰ এই মৌলিক কৰ্তব্যৰ জৰিয়তে দাসত্ব, শোষণ, অসমতা আৰু অন্যায় আদি ধাৰণাবোৰক নিষেধ কৰা হয়।

মানুহৰ তৃতীয়টো মৌলিক কৰ্তব্য হৈছে ব্যক্তিৰ চৰিত্ৰক সন্মান কৰা। আমি কেৱল আনৰ প্ৰতি অনিষ্ট কৰাটোৰ পৰা বিৰত থকাটো উচিত নহয়, কিন্তু এই কথা পালন কৰাটোও উচিত যে তেওঁলোকে তেওঁলোকৰ নিজৰ আত্মাক বিকাশ কৰিব পাৰে আৰু আত্মোপলব্ধি লাভ কৰিব পাৰে।

চতুৰ্থ মৌলিক কৰ্তব্যটো হৈছে সম্পত্তিৰ প্ৰতি সন্মান। এজনৰ নিজৰ সম্পত্তিৰ অধিকাৰ তেতিয়ালৈকে থাকে, যেতিয়ালৈকে আমি আনৰ সম্পত্তিক অবৈধভাৱে কাঢ়ি লোৱাত অঙ্গীকাৰবদ্ধ নহওঁ। উদাহৰণস্বৰূপে ঃ প্ৰখ্যাত কথাষাৰ 'thou shalt not steal' অৰ্থাৎ 'তুমি চোৰ নকৰিবা' য়ে সম্পত্তিৰ সন্মানৰ কৰ্তব্যকে মনত পেলায়।

পঞ্চম মৌলিক কৰ্তব্যটো হৈছে সামাজিক অনুষ্ঠানসমূহ আৰু সামাজিক আইন শৃংখলাৰ প্ৰতি সন্মান। সামাজিক শৃংখলা নৈতিক প্ৰগতিৰ বাবে অপৰিহাৰ্য্য। এজন মানুহে নৈতিক প্ৰগতিৰ বাবে সামাজিক শৃংখলা মানি চলাটো উচিত।

ষষ্ঠটো হৈছে সত্য বা সঁচা কোৱা। সত্যই কেৱল আমাৰ দৈনন্দিন জীৱনত সঁচা কোৱাটোকে নুবুজায়, সত্যই নিশ্চয়কৈ নিৰ্দেশ কৰে 'চিন্তা আৰু কোৱা' (thinking and saying) আৰু 'কোৱা আৰু কৰা' (saying and doing) ৰ মাজৰ এক সংহতিক।

সপ্তমটো কৰ্তব্য বিশ্ব সংহতিৰ লগত জড়িত। আমাৰ কৰ্তব্য হৈছে সীমা, ভাষা, জাতি - বৰ্ণ আৰু ধৰ্ম নিৰ্বিশেষে মানুহক সহায় কৰা। ই এই কথা চিন্তা কৰাত সহায় কৰিব যে সমগ্ৰ বিশ্ব এটা পৰিয়াল। এই কৰ্তব্য পালনৰ দ্বাৰা মানুহৰ মাজত সংহতি, একতা আৰু শান্তি আনিব পৰা যায়। শ্ৰী অৰবিন্দৰ দৰে ভাৰতীয় দাৰ্শনিক সকলে মানৰ ঐক্যতা প্ৰচাৰ কৰিছিল আৰু এম.কে. গান্ধীয়ে তুলসী দাসৰ ধৰ্ম-বিশ্বাস নাইবা ৰামৰাজ্য, বিশ্ব-ভাতৃত্ববোধৰ বিষয়ে কৈছিল। আনহাতে, বাট্ৰাণ্ড ৰাছেলে বুদ্ধি আৰু সৌহাৰ্দৰ ভেঁটিত বিশ্ব-ভাতৃত্ববোধক প্ৰচাৰ কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ অধিকাৰৰ দ্বাৰা আপুনি কি বুজে ? (উত্তৰ প্ৰায় ৩০ টা মান শব্দৰ ভিতৰত লিখিব)

.....

.....

প্ৰশ্ন নং ২ঃ কৰ্তব্য কি? (উত্তৰ প্ৰায় ৩০ টা মান শব্দৰ ভিতৰত লিখিব)

.....

.....

.....

প্ৰশ্ন নং ৩ঃ অধিকাৰ আৰু কৰ্তব্যৰ মাজত অন্তৰ্সম্পৰ্কবোৰ লিখক। (উত্তৰ প্ৰায় ৯০ টা মান শব্দৰ ভিতৰত লিখিব)

.....

.....

.....

প্ৰশ্ন নং ৪ঃ 'শিক্ষাৰ অধিকাৰ' বুলিলে আপুনি কি বুজে? (উত্তৰ প্ৰায় ৫০ টা মান শব্দৰ ভিতৰত লিখিব)

.....

.....

.....

প্ৰশ্ন নং ৫ঃ আমি অসীম স্বাধীনতা উপভোগ কৰিব পাৰোনে? (উত্তৰ প্ৰায় ৪০ টা মান শব্দৰ ভিতৰত লিখিব)

.....

.....

প্ৰশ্ন নং ৬ঃ 'সম্পত্তিৰ অধিকাৰ' ৰ বাবে আগবঢ়োৱা প্লেটো' আৰু এৰিষ্টটলৰ মতামতসমূহ কি কি? (উত্তৰ প্ৰায় ৪০ টা মান শব্দৰ ভিতৰত লিখিব)

.....

.....

.....

প্ৰশ্ন নং ৭ঃ বিশ্ব সংহতিৰ বাবে সন্মানৰ কৰ্তব্য বুলিলে আপুনি কি বুজে? (উত্তৰ প্ৰায় ৪০ টা মান শব্দৰ ভিতৰত লিখিব)

.....

.....

৭.৪ অধিকাৰ আৰু কৰ্তব্যৰ বিষয়ে গান্ধীৰ মতামত

এই সন্দৰ্ভত গান্ধীয়ে মত প্ৰকাশ কৰিছে যে- " Man's highest duty in life is to serve mankind and take his share in welfare of all. This is true worship-true prayer." গান্ধীৰ মতটো হৈছে যে ই কেৱল এক পৰিস্থিতিয়েই নহয় যে কৰ্তব্য পালনৰ অবিহনে আমি অধিকাৰ সমূহৰ সুযোগ ল'ব নোৱাৰো, সেই বাবে অধিকাৰ অবিহনে কৰ্তব্যৰ

চিন্তা কৰাটোও এক অৰ্থহীন চিন্তা। ই দেখুওৱাই যে অধিকাৰ আৰু কৰ্তব্য অন্তৰ্সম্পৰ্কযুক্ত। গান্ধীয়ে 'অধিকাৰ' শব্দটো সামাজিক, ৰাজনৈতিক আৰু নৈতিক অৰ্থত ব্যৱহাৰ কৰিছে। তেওঁ 'অধিকাৰ' শব্দটো নৈতিক- ধৰ্মীয় দৃষ্টি কোণত কৰ্মৰ স্বাধীনতাক বুজাবলৈ ব্যৱহাৰ কৰিছে, যি মোক্ষ বা মুক্তিৰ সহায়ক। গান্ধীয়ে এবাৰ তাৎপৰ্যপূৰ্ণভাৱে উল্লেখ কৰিছিল " People who obtain rights as a result of performance of duty, exercise them only for the service of society, never for themselves." পৰম আদৰ্শ, যি হৈছে ব্যক্তিগত কল্যাণ আওকাণৰ দ্বাৰা কৰা সমূহীয়া কল্যাণ, তাৰ প্ৰাপ্তিৰ ক্ষেত্ৰত ই অধিকাৰ আৰু কৰ্তব্যৰ মাজৰ যোগাযোগক দেখুওৱায়। আকৌ, গান্ধীয়ে স্বাধীনতা আন্দোলনৰ কালছোৱাত ৰাজনৈতিক ক্ষেত্ৰত 'অধিকাৰ' শব্দটো ব্যৱহাৰ কৰিছিল। যেতিয়া তেওঁ দক্ষিণ আফ্ৰিকাত আছিল, তেতিয়া তেওঁ ৰাজনীতিৰ মাজেৰে 'অধিকাৰ' শব্দটো বুজিছিল আৰু লাজকুৰীয়া গান্ধী মানৱ অধিকাৰৰ এজন সাহসী আৰু মহান নায়কলৈ ৰূপান্তৰিত হৈছিল।

গান্ধীয়ে ব্যক্তিগত আৰু ৰাজহুৱা কৰ্তব্যৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰিছিল। ব্যক্তিগত কৰ্তব্যৰ দ্বাৰা তেওঁ কৰ্তব্যৰ বাধাবাধকতাসমূহক বুজাইছে, যিবোৰক আমি ব্যক্তিগতভাৱে পালন কৰো। গান্ধীয়ে এই মত পোষণ কৰিছিল যে যদিহে কৰ্তব্যসমূহ এজন প্ৰবৰ্তকৰ দ্বাৰা তেওঁৰ নিজৰ ব্যক্তিগত জীৱনত পালন কৰা নহয়, তেতিয়া আনৰ প্ৰতি প্ৰৱৰ্তন কৰা বা পৰামৰ্শ দিয়াটো অনাৱশ্যকীয় হ'ব। সেইটো কাৰণেই, গান্ধীয়ে ব্যক্তিগত জীৱনৰ শুদ্ধতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। চৰিত্ৰ গঠনত ব্যক্তিগত অভ্যাসৰ ভূমিকাৰ ওপৰতো তেওঁ জোৰ দিছিল। ইয়াৰ বাহিৰে, গান্ধীয়ে ইন্দ্ৰিয় সুখ, যিয়ে আত্মোপলব্ধিৰ পথ ৰুদ্ধ কৰে তাৰ পৰা মুক্ত হোৱাৰ উদ্দেশ্যে আমাৰ ইন্দ্ৰিয়াদিৰ সংযমৰ ওপৰতো গুৰুত্ব প্ৰদান কৰিছে।

ৰাজহুৱা কৰ্তব্যৰ দ্বাৰা তেওঁ সকলোৰে কল্যাণৰ হকে আনৰ প্ৰতি থকা কৰ্তব্যকে বুজাইছে। তেওঁ মানৱতাৰ সেৱাক এক সত্য উপাসনা, সত্য প্ৰাৰ্থনা আৰু এজন ব্যক্তিৰ জীৱনৰ পৰম কৰ্তব্য হিচাপে স্বীকাৰ কৰিছে। তেওঁ ৰাজহুৱা কৰ্তব্যক ঈশ্বৰৰ প্ৰতি এক সত্য উপাসনা আৰু প্ৰাৰ্থনা হিচাপে স্বীকাৰ কৰিছে। মানৱতাৰ প্ৰতি সেৱা নাইবা আনৰ প্ৰতি কৰ্তব্যক সামুহিক কল্যাণৰ বাবে এজন ব্যক্তিৰ ব্যক্তিগত কৰ্তব্যৰ বাহ্যিক প্ৰকাশ হিচাপে মত দিব পাৰি। উদাহৰণস্বৰূপে ঃ গান্ধীৰ স্বৰাজৰ ধাৰণাই এজন ব্যক্তিৰ কৰ্তব্যৰ এই বাহ্যিক প্ৰকাশকে প্ৰতিবিম্বিত কৰিছে কেৱল ব্যক্তিগত আত্ম-শাসনৰ বাবেই নহয়, কিন্তু ৰাজহুৱা নাইবা সামাজিক প্ৰেক্ষাপটত আত্ম-শাসনৰ বাবেও। নিঃস্বাৰ্থ কৰ্ম নাইবা পৰিহাৰৰ নীতি হৈছে আনৰ প্ৰতি সেৱাৰ মূলমন্ত্ৰ। গান্ধীয়ে মত পোষণ কৰে যে ই এজন মানুহক সত্য নাইবা ঈশ্বৰ উপলব্ধিত সহায় কৰে। তেওঁ আকৌ মত আগবঢ়াইছিল যে সত্য নাইবা ঈশ্বৰৰ উপলব্ধি এজন মানুহৰ মূল উদ্দেশ্য। ই আমাৰ ব্যক্তিগত আৰু সামাজিক জীৱনৰ মাজত এক সংগতিপূৰ্ণ সম্পৰ্কক নিৰ্দেশ কৰে। গান্ধীৰ 'ৰামৰাজ্য'ৰ ধাৰণাটো এই সম্পৰ্কৰ এটা উত্তম উদাহৰণ। সেয়েহে, এই মত আগবঢ়াব পৰা যায় যে অধিকাৰৰ ধাৰণাটো প্ৰতিষ্ঠা কৰিব পৰা যায়, কেৱল তেতিয়াহে, যেতিয়া আমি আমাৰ কৰ্তব্য আনৰ বাবে পালন কৰিব লাগে।

অধিকাৰ আৰু কৰ্তব্যৰ সম্পৰ্কৰ সন্দৰ্ভত গান্ধীয়ে এই দুয়োৰে মাজত এক সঙ্গতিপূৰ্ণ সম্পৰ্কক উল্লেখ কৰিছিল। তেওঁৰ মতে, দুয়োটা এটাৰ ওপৰত আনটো পৰস্পৰ নিৰ্ভৰশীল। আমি এটাৰ অবিহনে আনটোৰ আলোচনা কৰিব নোৱাৰো। ফলস্বৰূপে, তেওঁ ভাবিছিল যে এই সম্পৰ্কটো কৰ্মচাৰী আৰু নিয়োগকৰ্তা, মালিক আৰু ভাৰতীয়া, স্বামী আৰু স্ত্ৰী, পিতৃ-মাতৃ আৰু তেওঁলোকৰ সন্তান, হিন্দু আৰু মুছলমান আদি সকলোৰে তেওঁলোকৰ দৈনন্দিন জীৱনত বৰ্তাই ৰখাটো উচিত।

গান্ধীৰ মতে, অধিকাৰক কৰ্তব্য পালনৰ পৰা নিঃসৃত কৰিব পাৰি। কৰ্তব্য পালনৰ অবিহনে অধিকাৰৰ চিন্তা নাইবা উপভোগ কৰাটো অনৈতিক হ'ব। গান্ধীৰ মতটো হৈছে যে সকলো অধিকাৰ পালন কৰা কৰ্তব্য অনুযায়ী আহে। এজন লোকে কৰ্তব্য পালনৰ দ্বাৰাই অধিকাৰ আৰ্জিব লাগে কিন্তু, কোনো ধৰণৰ স্বৰ্গীয় অধিকাৰ নাইবা জন্মগত অধিকাৰ নাথাকে। উদাহৰণস্বৰূপে ঃ পিতৃ-মাতৃ, শিক্ষক, স্বামী, নিয়োগকৰ্তা ইত্যাদিয়ে আনুগত্য দাবী কৰিব পাৰে, যেতিয়া তেওঁলোকে সন্তান, শিষ্য, স্ত্ৰী আৰু কৰ্মচাৰীৰ প্ৰতি তেওঁলোকৰ নিজ নিজ কৰ্তব্য পালন কৰিব।

গান্ধীয়ে মত পোষণ কৰে যে অধিকাৰৰ সত্য শক্তি কৰ্তব্য পালনৰ ক্ষেত্ৰত নিয়োজিত হৈ থাকে। কৰ্তব্য পালনৰ অবিহনেই যদি আমি অধিকাৰ দাবী কৰো, তেন্তে অধিকাৰ আৰু কৰ্তব্যৰ মাজৰ সম্পৰ্কৰ বাবে এক অৰ্থহীন অনুশীলন হ'ব। গান্ধীৰ মতটো হৈছে যে কৰ্তব্যৰ পালনে অধিকাৰৰ জন্ম দিয়ে। 'অধিকাৰ'ৰ ধাৰণাটো সমাজ, ৰাষ্ট্ৰ, বংশগতি, ঈশ্বৰতত্ত্ব আদিৰ দৰে বাহ্যিক কাৰ্য্য সাধনৰ মাধ্যমৰ পৰা নিঃসৃত নহয়, বৰঙ ইয়াক কৰ্তব্য পালনৰ জৰিয়তে মানুহৰ দ্বাৰা অৰ্জন কৰা হয়। এতেকে, কৰ্তব্যৰ অবিহনে অধিকাৰ উপভোগ কৰাৰ চিন্তা এক অনুচিত বিষয়। আনহাতে, অধিকাৰসমূহ সমাজৰ দ্বাৰাই স্বীকৃতিপ্ৰাপ্ত হয় যাতে, ব্যক্তিয়ে কৰ্তব্য পালনৰ দ্বাৰা নিমজভাৱে অধিকাৰসমূহ উপভোগ কৰিব পাৰে।

কিছুমান সমালোচকে কয় যে অধিকাৰতকৈ কৰ্তব্যৰ ওপৰত অধিক গুৰুত্ব দিয়া গান্ধীৰ মতামতে সামাজিক জীৱনত অধিকাৰৰ ধাৰণাটোক দুৰ্বল কৰি তোলে। এই প্ৰসঙ্গত বুদ্ধদেৱ ভট্টাচাৰ্য্যই মন্তব্য কৰে যে "Gandhi's emphasis on duties as being prior to rights may lend the impression that his outlook was conservative. The conservative view holds that duty is of greater importance and priority than right." অৰ্থাৎ, অধিকাৰতকৈ অধিক গুৰুত্বপূৰ্ণ বুলি কৰ্তব্যৰ ওপৰত দিয়া গান্ধীৰ গুৰুত্বই এটা সাঁচ বহুৱাই যে তেওঁৰ দৃষ্টিভঙ্গী আছিল ৰক্ষণশীল। ৰক্ষণশীল মতামতে পোষণ কৰে যে কৰ্তব্য অধিকাৰতকৈ অধিক গুৰুত্বপূৰ্ণ আৰু পূৰ্ববৰ্তী।

অধিকাৰ আৰু কৰ্তব্যৰ ক্ষেত্ৰত বিৰোধী মতামত নাইবা সমালোচনাত্মক মূল কথাসমূহ উদ্ভৱ হয়, যেতিয়া আমি ভাবো যে অধিকাৰ আৰু কৰ্তব্য দুটা ভিন্ন সত্ত্বা। 'লক্ষ্য আৰু উপায়' (end-means) ৰ ধাৰণাটোৰ দৰেই তেওঁৰ 'অধিকাৰ আৰু কৰ্তব্য' ধাৰণাটোও স্বভাৱত ধাৰাবাহিক, সদা-পৰিবৰ্তনীয় আৰু গতিশীল। গান্ধীয়ে এবাৰ এই দুয়োটা শব্দকে একাৰ্থক নাইবা সদৃশ হিচাপে ব্যৱহাৰ কৰিছিল। এই প্ৰসংগত গান্ধীয়ে কৈছিল, "Rights accure atuomatically

to him who duly performs his duties. Infact the rights to perform one's duties is the only right that is worth living for and dying for. It covers all legitimate rights." এই কথাষাৰে ইংগিত দিয়ে যে অধিক গুৰুত্বপূৰ্ণ বুলি যাক তেওঁ কৰ্তব্যৰ সৈতে যোগ দিছে, সি সমানে অধিকাৰৰ ক্ষেত্ৰতো প্ৰযোজ্য এই অৰ্থত যে, সত্য আৰু ঈশ্বৰৰ দৰে অধিকাৰ আৰু কৰ্তব্যৰ ধাৰণা দুয়ো একেটা মুদ্ৰাৰে ইপিঠি-সিপিঠি। সেইবাবে, গান্ধীৰ সন্দৰ্ভত অধিকাৰতকৈ কৰ্তব্যৰ ওপৰত অধিক গুৰুত্ব দিয়াৰ যি সমালোচনা, সি গ্ৰহণযোগ্য নহয়। এফ.এইচ. ব্ৰেড্‌লিয়ে তেওঁৰ গ্ৰন্থ 'Ethical Studies'অত অধিকাৰ আৰু কৰ্তব্যৰ ধাৰণাটোক এক তাৎপৰ্য্যমূলক ধৰণেৰে বৰ্ণনা কৰিছে। তেওঁ কয় যে 'What is duty? It is simply the other side of the right.....no right without duty; no duty without rights and rights.....(F.H. Bradely, Ethical Studies. PP. 208-12).

এজন মানৱতাবাদী হিচাপে, গান্ধীয়ে ন্যায়, শান্তি, সমতা আদিৰ পূৰ্ণপ্ৰতিষ্ঠাৰ বাবে নিপীড়িতসকলৰ সামাজিক, ৰাজনৈতিক, নৈতিক আৰু অৰ্থনৈতিক অধিকাৰৰ প্ৰতিষ্ঠাৰ বাবে ভাৰতবৰ্ষ আৰু দক্ষিণ আফ্ৰিকা উভয়তে যুঁজিছিল। এই প্ৰসঙ্গত, তেওঁ মানৱ অধিকাৰ নাইবা শোষিত শ্ৰেণীৰ অগ্ৰাহ্যকৰণৰ বাবে মাত মাতিছিল। সেই কাৰণে, কৰ্তব্যৰ পৰা অধিকাৰক নিঃসৰণ কৰাৰ ওপৰত গান্ধীৰ মতামতৰ বিপক্ষে সমালোচকসকলৰ দ্বাৰা অধিকাৰতকৈ কৰ্তব্যৰ অত্যাধিক গুৰুত্বৰ সমালোচনাটো গ্ৰহণ কৰিব পৰা নাযায়।

৭.৫ ধৰ্ম সংকট নাইবা কিংকৰ্তব্য মীমাংসা ঃ কৰ্তব্যৰ সংঘাত

কেতবোৰ কৰ্তব্য আছে, যিবোৰ এটাৰ লগত আনটোৰ সংঘাত হোৱা দেখা যায়। উদাৰণস্বৰূপেঃ জীৱন সংৰক্ষণৰ চাহিদা আৰু সত্যৰ মৰ্য্যাদৰ লগত প্ৰায়ে সংঘাতে দেখা দিয়ে। যদি এজন চিকিৎসকে তেওঁৰ ৰোগীক তেওঁৰ দু�ৰাৰোগ্য ৰেমাৰৰ কথা কয়, তেতিয়া ৰোগীৰ জীৱনৰ সম্ভাৱনীয়তা কমি যাব। আকৌ, জীৱনৰ সংৰক্ষণ আৰু সম্পত্তিৰ সংৰক্ষণৰ মাজত সংঘাতে দেখা দিব পাৰে। উদাহৰণস্বৰূপে ঃ যদি আমি জীৱনক সন্মান কৰো, তেন্তে এজন মানুহ, যিয়ে হত্যা কৰিবলৈ ওলাইছে, তেওঁৰ হাতৰ পাৰ ছুৰীখন আঁতৰাই অনা উচিত। এইবোৰ উদাহৰণ কৰ্তব্যৰ সংঘাতৰ বাহিৰে আন একো নহয়।

কৰ্তব্যৰ সংঘাতৰ ক্ষেত্ৰত জড়িত সমস্যাসমূহ কম কৰাৰ উদ্দেশ্যে আমি ধৰ্মসংকট মীমাংসাৰ সহায় ল'ব পাৰো। ই বিশেষ অৱস্থাৰ অধীনত নৈতিক আইন ভঙ্গ কৰিবৰ বাবে আইন প্ৰণয়ন কৰাত সহায় কৰে। সেই বাবে ই নীতিশাস্ত্ৰৰ এক শাখা, যি 'বিবেকৰ বিষয়' (cases of consciousness) ৰ লগত জড়িত। জি.ই. মুৰ (G.E.Moore) ৰ মতে, 'Casuistry is the good of ethical investigation' (অৰ্থাৎ ধৰ্মসংকট হৈছে নৈতিক অনুসন্ধানৰ লক্ষ্য)। এইচ.ৰাছডেল (H. Rashdall) য়েও জি.ই.মুৰৰ মতটো সমৰ্থন কৰিছিল। কিন্তু, ব্ৰেড্‌লিয়ে এই মতটো গ্ৰহণ কৰা নাছিল। তেওঁ প্ৰতিপন্ন কৰিছিল যে নীতিবিজ্ঞান এক কলা (Art) নহয়, আৰু সেয়ে, ই কৰ্তব্যৰ সংঘাতক সমাধান কৰিব নোৱাৰে। সেই কাৰণে, ধৰ্মসংকট মীমাংসা যুক্তিসংগত

নাইবা সুবিবেচনাপূৰ্ণ নহয়।

প্ৰকৃততে কৰ্তব্যৰ কোনো সংঘাত নাই এই অৰ্থত যে আমি এটা বিশেষ পৰিস্থিতিত এক বিশেষ কৰ্তব্য পালন কৰো। প্ৰকৃত পৰিস্থিতিটোক আমি ধৰিবলৈ ব্যৰ্থ হোৱাৰ বাবেই কৰ্তব্যৰ সংঘাত আহি পৰে। উদাহৰণস্বৰূপে ঃ কাৰোবাক হত্যা কৰিবলৈ ওলোৱা এজন মানুহৰ হাতৰ পৰা ছুৰীখন আঁতৰাই অনাটো আমাৰ বাবে এক নিশ্চিত কৰ্তব্য। গ্ৰীনে এই সন্দৰ্ভত তাৎপৰ্য্যপূৰ্ণভাৱে মত আগবঢ়াইছে যে কৰ্তব্যৰ প্ৰকৃততে কোনো সংঘাত নাই। এজন ব্যক্তিৰ এটা বিশেষ অৱস্থাত এটা নিৰ্দিষ্ট কৰ্তব্য থাকে। তেওঁ ইয়াক এক স্পষ্ট নৈতিক অন্তৰ্দৃষ্টিৰে জানিব পাৰে, যদিহে তেওঁ এই ক্ষণটোৰ কু-সংস্কাৰ আৰু আসক্তিৰ সম্ভাৱনাক আওকাণ কৰে। কৰ্তব্যৰ সংঘাত স্পষ্ট নৈতিক অন্তৰ্দৃষ্টিৰ অভাৱৰ কাৰণে, আসক্তি আৰু ঠেক আত্ম-অনুসন্ধিৎসাৰ দ্বাৰা নৈতিক বিচাৰ বা অৱধাৰণাক ঢাকি ধৰা, বিষয়ৰ খেলিমেলি আৰু নৈতিক অৱস্থাত প্ৰয়োজনীয় বিষয়ৰ পৰা প্ৰয়োজনীয় বিষয়ৰ পক্ষপাতিত্বৰ কাৰণে জড়িত হৈ পৰে। এই সন্দৰ্ভত কেতবোৰ মত আছে যে কৰ্তব্যৰ এক সংঘাতৰ ক্ষেত্ৰত উদ্ভৱ হোৱা সমস্যাসমূহ সমাধান কৰিবলৈ আমি ধৰ্মসংকট নাইবা কিংকৰ্তব্য মীমাংসাৰ সহায় ল'ব পাৰো। কিন্তু, ইয়াক এই অৰ্থত স্বীকাৰ কৰিব নোৱাৰি যে, বিশেষ অৱস্থাৰ অধীনত নৈতিক নীতি ভঙ্গৰ বাবে আমি বিকল্প নীতিৰ ব্যৱহাৰৰ চিন্তা কৰিব নোৱাৰো।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৮ঃ গান্ধীৰ মতে ব্যক্তিগত আৰু ৰাজহুৱা কৰ্তব্যৰ মাজৰ পাৰ্থক্যসমূহ কি কি? (উত্তৰ প্ৰায় ৪০ টা মান শব্দৰ ভিতৰত লিখিব)

.....

.....

.....

প্ৰশ্ন নং ৯ঃ কৰ্তব্যৰ সংঘাত বুলিলে আপুনি কি বুজে? (উত্তৰ প্ৰায় ৫০ টা মান শব্দৰ ভিতৰত লিখিব)

.....

.....

প্ৰশ্ন নং ১০ঃ কিংকৰ্তব্য মীমাংসা বুলিলে কি বুজে? (উত্তৰ প্ৰায় ২৫ টা মান শব্দৰ ভিতৰত লিখিব)

.....

.....



চিন্তা চর্চা কৰক ঃ ৭:১

'অধিকাৰ আৰু কর্তব্য অবিচ্ছেদ্য'। এই প্রসঙ্গত আপোনাৰ মত কি? আলোচনা কৰক।

.....

.....

.....



৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- 'অধিকাৰ' (Right) শব্দটোৰ দ্বাৰা আমি নৈতিক বাধ্য-বাধকতা (moral obligations) ক বুজো, যি ব্যক্তিৰ বাবে আমাৰ সমাজৰ দ্বাৰা অনুমোদিত হয়। আনহাতে, 'কর্তব্য' (duty) শব্দটোৰ দ্বাৰা আমি কাৰোবাৰ বাবে যি গুৰুত্বপূর্ণ, তাক বুজো। ই এইটোও সূচায় যে এজন ব্যক্তি কোনো কাম কৰিবলৈ বাধ্য নাইবা কাম কৰিবলৈ বাধ্য-বাধকতাৰ অধীন।
- সমাজে ইয়াৰ সদস্যসকলৰ প্রতি নৈতিক অধিকাৰসমূহ প্রদান নাইবা অনুমোদন কৰে আৰু আত্মোপলব্ধি নাইবা নিজৰ ভালৰ বাবে ব্যক্তিৰ ওপৰত কর্তব্য নাইবা নৈতিক বাধ্য-বাধকতা বলৱৎ কৰে। ফলস্বৰূপে, মানুহে এইবোৰ অধিকাৰ উপভোগ কৰে, যাৰ নিৰাপত্তা সমাজৰ দ্বাৰা দিয়া হয়। এখন সমাজৰ সদস্যসকলৰ দ্বাৰা উপভোগ কৰা নৈতিক অধিকাৰসমূহ কোনেও ভঙ্গ কৰিব নোৱাৰে। অধিকাৰ আৰু কর্তব্য উভয়ে এটাৰ সৈতে আনটো অন্তর্সম্পর্কযুক্ত। এইবোৰ ধাৰণাই নৈতিক বাধ্যবাধকতা আনে। নৈতিক ধাৰণা 'অধিকাৰ'য়ে 'কর্তব্য'ক সূচায় আৰু 'কর্তব্য'ই 'অধিকাৰ'ক সূচায়। উদাহৰণস্বৰূপে ছাত্র-ছাত্রীৰ শিক্ষাৰ অধিকাৰ আছে। শিক্ষাৰ যোগান ধৰাটো শিক্ষকসকলৰ কর্তব্য। ছাত্র-ছাত্রীসকলৰ বাবে তেওঁলোকৰ শিক্ষকক মানি চলা নাইবা তেওঁক অনুসৰণ কৰাটো কর্তব্য, সেয়ে, ছাত্র-ছাত্রীৰ বাধ্যতাৰ প্রতি শিক্ষকসকলৰো অধিকাৰ আছে।
- গান্ধীৰ মতটো হৈছে যে ই কেৱল এক পৰিস্থিতিয়েই নহয় যে কর্তব্য পালনৰ অবিহনে আমি অধিকাৰৰ সুযোগ ল'ব নোৱাৰো, সেয়ে অধিকাৰৰ অবিহনে কর্তব্যৰ চিন্তা কৰাটোও এক অর্থহীন চিন্তা। ই দেখুওৱাইছে যে অধিকাৰ আৰু কর্তব্য অন্তর্সম্পর্কযুক্ত।
- গান্ধীয়ে 'অধিকাৰ' শব্দটো সামাজিক, ৰাজনৈতিক আৰু নৈতিক অর্থত ব্যৱহাৰ কৰিছিল। তেওঁ 'অধিকাৰ' শব্দটো নৈতিক -ধর্মীয় কোণত কর্মৰ স্বাধীনতাক বুজাবলৈ ব্যৱহাৰ কৰিছে, যি মোক্ষ বা মুক্তিৰ সহায়ক।
- গান্ধীয়ে ব্যক্তিগত আৰু ৰাজহুৱা কর্তব্যৰ মাজত পার্থক্য নির্ণয় কৰিছে। ব্যক্তিগত কর্তব্যৰ দ্বাৰা তেওঁ কর্তব্যৰ বাধ্য-বাধকতাসমূহক বুজাইছে, যিবোৰক আমি ব্যক্তিগতভাৱে পালন

কৰো। ৰাজহুৱা কৰ্তব্যৰ দ্বাৰা তেওঁ সকলোৰে কল্যাণৰ হকে আনৰ প্ৰতি থকা কৰ্তব্যকে বুজাইছে। তেওঁ মানৱ সেৱাক এক সত্য উপাসনা, সত্য প্ৰাৰ্থনা আৰু এজন ব্যক্তিৰ জীৱনৰ পৰম কৰ্তব্য হিচাপে স্বীকাৰ কৰিছে। তেওঁ ৰাজহুৱা কৰ্তব্যক ঈশ্বৰৰ প্ৰতি এক সত্য উপাসনা আৰু প্ৰাৰ্থনা হিচাপে স্বীকৃতি দিছে।

- অধিকাৰ আৰু কৰ্তব্যৰ সম্পৰ্কৰ ক্ষেত্ৰত গান্ধীয়ে দুয়োৰে মাজত এক সঙ্গতিপূৰ্ণ সম্পৰ্ক উল্লেখ কৰিছিল। তেওঁৰ মতে, দুয়োটা এটাৰ ওপৰত আনটো পৰস্পৰ নিৰ্ভৰশীল। আমি এটাৰ অবিহনে আনটোৰ আলোচনা কৰিব নোৱাৰো। ফলস্বৰূপে, তেওঁ ভাবিছিল যে এই সম্পৰ্কটো মালিক আৰু ভাৰাতীয়া, স্বামী আৰু স্ত্ৰী, পিতৃ-মাতৃ আৰু সন্তান,হিন্দু আৰু মুছলমান আদি সকলোৱে তেওঁলোকৰ দৈনন্দিন জীৱনত বৰ্তাই ৰখাটো উচিত।
- অধিকাৰ আৰু কৰ্তব্যৰ ক্ষেত্ৰত বিৰোধী মতামত নাইবা সমালোচনাত্মক মূল কথাসমূহ উদ্ভৱ হয়, যেতিয়া আমি ভাবো যে অধিকাৰ আৰু কৰ্তব্য দুটা ভিন্ন সত্তা। 'লক্ষ্য আৰু উপায়' ৰ ধাৰণাটোও স্বভাৱত ধাৰাবাহিক, সদা পৰিবৰ্তনশীল আৰু গতিশীল। গান্ধীয়ে এবাৰ এই দুয়োটা শব্দক একাৰ্থক নাইবা সদৃশ হিচাপে ব্যৱহাৰ কৰিছিল।
- এফ.এইচ. ব্ৰেড্‌লি (F.H. Bradely) য়ে তেওঁৰ গ্ৰন্থ 'Ethical Studies' ত অধিকাৰ আৰু কৰ্তব্যৰ ধাৰণাটোক এক তাৎপৰ্য্যমূলকভাৱে বৰ্ণনা কৰিছে। তেওঁ কয় যে, 'What is duty? It is simply the other side of the right.....no right without duty; no duty without rights and rights.....'।
- কৰ্তব্যৰ সংঘাতৰ ক্ষেত্ৰত জড়িত সমস্যাসমূহ কম কৰাৰ উদ্দেশ্যে আমি ধৰ্ম সংকট মীমাংসাৰ সহায় ল'ব পাৰো। ই বিশেষ অৱস্থাৰ অধীনত নৈতিক আইন ভঙ্গ কৰিবৰ বাবে আইন প্ৰণয়ন কৰাত সহায় কৰে। সেইবাবে, ই নীতি শাস্ত্ৰৰ এক শাখা, যি 'বিবেকৰ বিষয়' (cases of consciousness) ৰ লগত জড়িত। জি.ই.মুৰৰ মতে 'casuistry is the goal of ethical investigation.' এইচ্‌, ৰাছডেলেও মুৰৰ মতটো সমৰ্থন কৰিছিল। কিন্তু, ব্ৰেড্‌লিয়ে এই মতটো গ্ৰহণ কৰা নাছিল। তেওঁ প্ৰতিপন্ন কৰিছিল যে নীতিবিজ্ঞান এক কলা নহয়, সেয়ে ই কৰ্তব্যৰ সংঘাতক সমাধান কৰিব নোৱাৰে। সেই কাৰণে, ধৰ্মসংকট মীমাংসা যুক্তিসঙ্গত নাইবা সুবিবেচনাপূৰ্ণ নহয়।



৭.৭ অধিক জানিবলৈ

১) Sinha.J. 1986. A Manual of Ethics. New Central Book Academy Calcutta.

২) Pal. J. 2007. The Moral Philosophy of Gandhi.Gyan Publishing House.

৩) Sanyal. S. 1984. Guide to Ethics. Sribhumi Pub. co.



৭.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ 'অধিকাৰ' শব্দটোৰ দ্বাৰা আমি আমাৰ সমাজৰ দ্বাৰা অনুমোদিত নৈতিক বাধ্য-বাধকতাক বুজো। ইয়াক সকলোৰে কল্যাণৰ হকে সমাজৰ দ্বাৰা ব্যক্তিলৈ অনুমোদিত এক দাবী ৰূপেও প্রতিপন্ন কৰিব পৰা যায়।

২ নং প্রশ্নৰ উত্তৰঃ এজন ব্যক্তি কোনো কাম কৰিবলৈ বাধ্য নাইবা কাম কৰিবলৈ এক বাধ্য-বাধকতাৰ অধীন। আনহাতে, অন্য এক অর্থত কর্তব্য হৈছে পাৰিপার্শ্বিকতাৰ প্রতি এজন ব্যক্তিৰ এক ঋণগ্রস্ততা নাইবা এক নৈতিক দাবী নাইবা নৈতিক বাধকতা।

৩ নং প্রশ্নৰ উত্তৰঃ 'অধিকাৰ' আৰু 'কর্তব্য'ৰ ধাৰণা অন্তর্সম্পর্কযুক্ত এই অর্থত যে নৈতিক ধাৰণা অধিকাৰে কর্তব্যক সূচায় আৰু কর্তব্যই অধিকাৰক সূচায়। উদাহৰণস্বৰূপে ঃ ছাত্র-ছাত্রীৰ শিক্ষাৰ অধিকাৰ আছে। গতিকে, শিক্ষাৰ যোগান ধৰাটো শিক্ষকসকলৰ কর্তব্য। আকৌ ছাত্র-ছাত্রীসকলৰ বাবে তেওঁলোকৰ শিক্ষকক মানি চলা নাইবা তেওঁক অনুসৰণ কৰাটো কর্তব্য, সেয়ে ছাত্র-ছাত্রীৰ বাধ্যতাৰ প্রতি শিক্ষকসকলৰো এক অধিকাৰ আছে। ই স্পষ্টকৈ দেখুওৱাই যে এটাৰ অবিহনে আনটোক আলোচনা কৰিব নোৱাৰি। এইবোৰ সমাজৰ ক্ষেত্রসমূহত সক্রিয় হয় আৰু সমাজৰ পৰাই ইয়াৰ অর্থ আৰু তাৎপর্য্য নিঃসৰণ কৰা হয়।

৪ নং প্রশ্নৰ উত্তৰঃ ই হৈছে এজন ব্যক্তিৰ মৌলিক অধিকাৰ আৰু কর্তব্য। এই অধিকাৰৰ উপভোগৰ দ্বাৰা এজন ব্যক্তিয়ে তেওঁৰ নিজৰ সামর্থ অনুযায়ী যিকোনো নির্দিষ্ট পৰিসৰলৈ শিক্ষা গ্রহণ কৰিব পাৰে। শিক্ষাই মানুহৰ মাজত লুকাই থকা প্রতিভা প্রকাশ কৰে। সেইবাবে, আত্মবিকাশ, আত্মপ্রকাশ আৰু আত্মোপলব্ধিৰ বাবে ই অতি আৱশ্যকীয়।

৫ নং প্রশ্নৰ উত্তৰঃ 'স্বাধীনতা'ৰ ধাৰণাটোৰ দ্বাৰা আমি যিকোনো পৰিসৰলৈ স্বাধীনতাক উপভোগ কৰাটো বুজোৱা নাই, স্বাধীনতাৰ ধাৰণাটোৰ দ্বাৰা নিশ্চিতভাৱে আমি আকৃতি আৰু পৰিমাণত সীমিত স্বাধীনতাক বুজো। আমি স্বাধীনতাক উপভোগ কৰিব পাৰো এই অর্থত যে সেই কামটো কৰাৰ বাবে আমি দায়বদ্ধ।

৬ নং প্রশ্নৰ উত্তৰঃ প্লেটোৰে এখন আদর্শ ৰাষ্ট্রত সম্পত্তিৰ অধিকাৰক প্রত্যাহাৰ কৰিছিল। তেওঁৰ মত আছিল এই যে কোনো ধৰণৰ ব্যক্তিগত সম্পত্তি থাকিব নোৱাৰে, সকলো সম্পত্তিক নিশ্চয়কৈ ৰাষ্ট্রৰ সম্পত্তি ৰূপে গণ্য কৰা হ'ব। এৰিষ্টটলে মত প্রকাশ কৰিছিল যে এখন আদর্শ ৰাষ্ট্রত ব্যক্তিগত সম্পত্তিক সামাজিক কল্যাণৰ বাবে ব্যৱহাৰ কৰা উচিত।

৭ নং প্রশ্নৰ উত্তৰঃ ই আমাক সীমা, ভাষা, জাতি, বর্ণ আৰু ধর্ম নির্বিশেষে আনৰ প্রতি কর্তব্যৰ কথা সোঁৱৰায়। ই এই কথা চিন্তা কৰাত সহায় কৰিব যে সমগ্র বিশ্ব এটা পৰিয়াল। এই কর্তব্য পালনৰ দ্বাৰা মানুহৰ মাজত সংহতি, একতা আৰু শান্তি আনিব।

৮ নং প্রশ্নৰ উত্তৰঃ ব্যক্তিগত কর্তব্যৰ দ্বাৰা ব্যক্তিগতভাৱে আমি পালন কৰা কর্তব্যৰ বাধ্য-বাধকতাসমূহক বুজো। ৰাজহুৱা কর্তব্যৰ দ্বাৰা আমি বুজো সকলোৰে ভালৰ বাবে আনৰ

হকে কৰা কর্তব্যক। তেওঁ কর্তব্যক সত্য উপাসনা নাইবা ঈশ্বৰৰ প্রতি প্রার্থনা হিচাপে স্বীকাৰ কৰিছে।

৯ নং প্রশ্নৰ উত্তৰঃ ই কিছুমান কর্তব্যৰ এটাৰ লগত আনটোৰ সংঘাতক বুজায়। এই মত আগবঢ়াব পৰা যায় যে কিছুমান বিশেষ ক্ষেত্রত জীৱনৰ সন্মানে সম্পত্তিৰ সন্মানৰ সৈতে সংঘাতত লিপ্ত হয়। উদাহৰণস্বৰূপে, এজন মানুহ, যিজনে কাৰোবাক হত্যা কৰাৰ পৰিকল্পনা কৰিছে, তেওঁৰ হাতৰ পৰা ছুৰীখন আঁতৰাই অনাটো উচিত।

১০ নং প্রশ্নৰ উত্তৰঃ ই নীতিবিজ্ঞানৰ এটা শাখা, যি 'বিবেকৰ বিষয়' (cases of consciousness) ৰ সৈতে জড়িত। ই বিশেষ অৱস্থাৰ অধীনত নৈতিক আইন ভঙ্গৰ বাবে আইন গঠন কৰাত আমাক সহায় কৰে।



৭.৯ আৰ্হি প্রশ্ন

ক) অতি চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ অধিকাৰ কি?

প্রশ্ন ২ঃ 'কর্তব্য'ৰ দ্বাৰা আপুনি কি বুজে?

প্রশ্ন ৩ঃ এজন ব্যক্তিৰ মাত্র তিনিটা মৌলিক অধিকাৰ উল্লেখ কৰক।

প্রশ্ন ৪ঃ শিক্ষাৰ অধিকাৰ কি?

প্রশ্ন ৫ঃ 'Thou shalt not steal'-ৰ অর্থটো উল্লেখ কৰক।

প্রশ্ন ৬ঃ 'সত্য কোৱা'ৰ মৌলিক অধিকাৰৰ দ্বাৰা আপুনি কি বুজে?

প্রশ্ন ৭ঃ বিভিন্ন ধৰণৰ অর্থসমূহ উল্লেখ কৰক য'ত গান্ধীয়ে 'অধিকাৰ' শব্দটো ব্যৱহাৰ কৰিছে।

খ) চমু প্রশ্ন (উত্তৰ প্রায় ১০০-১৫০ মান শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ অধিকাৰ আৰু কর্তব্যৰ মাজৰ অন্তর্সম্পর্কযুক্ত ৰ দ্বাৰা কি বুজে? চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন ২ঃ শিক্ষাৰ অধিকাৰ কি? চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন ৩ঃ 'সম্পত্তিৰ অধিকাৰ'ৰ ওপৰত এটা চমুটোকা লিখক।

প্রশ্ন ৪ঃ গান্ধীৰ ব্যক্তিগত আৰু ৰাজহুৱা কর্তব্যৰ মাজত পার্থক্যৰ বিচাৰ কৰক।

প্রশ্ন ৫ঃ ধর্মসংকট মীমাংসাৰ ওপৰত চমু ব্যাখ্যা আগবঢ়াওক।

গ) ৰচনাধর্মী প্রশ্ন (উত্তৰ প্রায় ৩০০-৫০০ ৰ ভিতৰত লিখিব)

প্রশ্ন ১ঃ মানুহৰ বিভিন্ন অধিকাৰসমূহ ব্যাখ্যা কৰক।

প্রশ্ন ২ঃ মানুহৰ মৌলিক অধিকাৰসমূহ কি কি? ব্যাখ্যা কৰক।

প্রশ্ন ৩ঃ 'অধিকাৰ আৰু কর্তব্য'ৰ ওপৰত গান্ধীৰ মতামত ব্যাখ্যা কৰা।

প্রশ্ন ৪ঃ ধর্মসংকট নাইবা কিংকর্তব্য মীমাংসাৰ ধাৰণাটো ব্যাখ্যা কৰক।

প্রশ্ন ৫ঃ কর্তব্যৰ সংঘাত বুলিলে কি বুজে? ব্যাখ্যা কৰক।

*** ***** ***